**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-06-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

---

ৰাজ্য চৰকাৰৰ স্বচ্ছ আৰু মেধা ভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে আজি ৪০০ গৰাকী চিকিৎসা আৰু স্বাস্থ্য বিষয়াক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। এই উপলক্ষে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় প্ৰেক্ষাগৃহত আয়োজিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহল উপস্থিত থাকিব। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে যোৱা ৫ জুন পৰ্যন্ত এক লাখ ১৯ হাজাৰ ৯৬৯ গৰাকী চিকিৎসা আৰু স্বাস্থ্য বিষয়াক নিযুক্তি প্ৰদান কৰে।

০০০০০০

তেল আৰু প্ৰাকৃতিক গেছ নিগম, অ' এন জি চিয়ে শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰ তৈলক্ষেত্ৰত গেছ নিৰ্গমন ৰোধ কৰাৰ বাবে দেশ-বিদেশৰ বিশেষজ্ঞৰ পৰামৰ্শ অনুযায়ী কাম কৰি আছে যদিও পৰিস্থিতি এতিয়াও নিয়ন্ত্ৰণ হোৱা নাই। প্ৰতিষ্ঠানটোৱে গেছ নিৰ্গমন হৈ থকা ১৪৭ নম্বৰ ৰিগৰ খননৰ দায়িত্বত থকা এছ কে পেট্ৰ' নামৰ ব্যক্তিগত খণ্ডৰ কোম্পানীটোৰ বিৰুদ্ধে নিজাববীয়াকৈ তদন্ত আৰম্ভ কৰিছে। কালি অ' এন জি চিৰ অসম সম্পদৰ কাৰ্যবাহী সঞ্চালক ভাস্কৰ চৌধুৰীয়ে এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে তদন্তৰ প্ৰতিবেদন অহাৰ পাছতে নিগমে উচিত পদক্ষেপ গ্ৰহণ কৰিব। গেছ নিৰ্গমন ৰোধৰ বাবে অগ্নি নিৰ্বাপন দলে অহৰহ কাম কৰি আছে বুলি তেওঁ উল্লেখ কৰে। এই ঘটনাৰ পৰা শিক্ষা লৈ অ' এন জি চিয়ে ভৱিষ্যতে এনেধৰণৰ ঘটনা ৰোধৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব বুলিও তেওঁ প্ৰতিশ্ৰুতি দিয়ে।

ইপিনে, কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে কালি তৈল ক্ষেত্ৰখনত হৈ থকা গেছ নিৰ্গমন ৰোধ কৰাৰ বাবে অ' এন জি চিয়ে চলাই থকা প্ৰচেষ্টাৰ বুজ লয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে অ' এন জি চিৰ বিভিন্ন কেন্দ্ৰৰ পৰা বিশেষজ্ঞ লোকসকলক অনা হৈছে আৰু পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে উচ্চ ক্ষমতাসম্পন্ন পাম্প ব্যৱহাৰ কৰা হৈছে।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই শিৱসাগৰৰ ভটিয়াপাৰৰ অ' এন জি চিৰ গেছ নিৰ্গমনৰ ফলত ক্ষতিগ্ৰস্ত ৩৩২টা পৰিয়ালক মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ পৰা ২৫ হাজাৰ টকাৰ এককালীন সাহায্য প্ৰদান কৰাৰ কথা কালি এখন সংবাদমেলত ঘোষণা কৰাৰ পাছত এই গেছ নিৰ্গমন ৰোধৰ বাবে আমেৰিকাৰ এগৰাকী বিশেষজ্ঞক আহ্বান জনোৱা হৈছে আৰু শীঘ্ৰেই এই সমস্যাৰ সমাধান হ'ব বুলি তেওঁ উল্লেখ কৰে।

০০০০০০

ডিব্ৰুগড়ৰ জনসাধাৰণৰ দীৰ্ঘদিনীয়া দাবী পূৰণ কৰি অহা ২০ ছেপ্তেম্বৰত ডিব্ৰুগড়ৰ পৰা গুৱাহাটীলৈ প্ৰভাতী বিমান সেৱা আৰম্ভ হ'ব। সেইদিনাই যোৰহাটৰ পৰা নতুন দিল্লীলৈ আন এখন নতুন বিমানৰ উৰণো আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই উজনি অসমৰ তিনিখন জিলা ডিব্ৰুগড়, লখিমপুৰ আৰু শিৱসাগৰ ভ্ৰমণ সামৰি ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰী সচিবালয়ত এখন সংবাদ মেলত কালি এই কথা প্ৰকাশ কৰে। ইণ্ডিগ' বিমান সংস্থাৰ সৈতে হোৱা বৈঠক মৰ্মে এই সেৱা আগবঢ়োৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

০০০০০০

জলসিঞ্চন, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী তথা বিশ্বনাথ জিলাৰ অভিভাৱক মন্ত্রী অশোক সিংহলে কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত জ্যেষ্ঠ বিষয়াবৰ্গৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়, এটি কলি দুটি পাত, মুখ্যমন্ত্রী আত্মনির্ভৰ অসম অভিযান, মুখ্যমন্ত্রী মহিলা উদ্যমিতা অভিযান, মিছন বসুন্ধৰা আৰু অন্যান্য আঁচনিলৈ আলোচনা কৰা হয়। সাংসদ ৰঞ্জিত দত্ত, বিধায়ক উৎপল বৰা, দিগন্ত ঘাটোৱাল, প্রমোদ বৰঠাকুৰ, আয়ুক্ত মনীন্দ্র নাথ ঙাটেৰ লগতে উচ্চপদস্থ বিষয়াসকল বৈঠকত উপস্থিত থাকে।

০০০০০০

অসম মৰাণ সভা, সদৌ মৰাণ ছাত্র সন্থাকে ধৰি মৰাণ জনজাতীয় কেইবাটাও সংগঠনে কালি ডিব্রুগড়ৰ অসম সচিবালয়ত মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি জনগোষ্ঠীটোৰ বহুকেইটা দাবী উপস্থাপন কৰে। সংগঠনকেইটাই মৰাণ জনজাতিক জনজাতিকৰণৰ মৰ্যাদা প্রদান, মৰাণ স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন, অৰুণাচল প্রদেশত বাস কৰা মৰাণসকলৰ সমস্যাকে ধৰি বিভিন্ন বিষয় সন্দৰ্ভত মুখ্যমন্ত্রীৰ সৈতে আলোচনা কৰে। তেওঁলোকে লগতে তিনিচুকীয়া জিলাৰ কৰ্দৈগুৰি গাঁৱৰ পানীত পৰি মৃত্যু হোৱা সুমন মৰাণ নামৰ যুৱকগৰাকীৰ পৰিয়াললৈ এককালীন আৰ্থিক সাহায্য প্রদানৰ বাবে মুখ্যমন্ত্রীক আহ্বান জনায়। ড০ শৰ্মাই এই আহ্বানৰ প্রতি সঁহাৰি জনাই দৰিদ্র পৰিয়ালটোলৈ ৫ লাখ টকাৰ আৰ্থিক সাহায্য আগবঢ়ায়। মুখ্যমন্ত্রীগৰাকীয়ে মৰাণ স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনত কেৱল মৰাণ জনজাতীয় ভোটাৰ আৰু মটক স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনত কেৱল মটক জনজাতীয় ভোটাৰেহে ভোটদান কৰিব পাৰিব বুলি উল্লেখ কৰে। তেওঁ কয়, যে প্রতিটো সম্প্রদায়ৰ মাজত বুজাবুজি আৰু সমন্বয় অক্ষুণ্ণ ৰখাৰ বাবে এনে সিদ্ধান্ত গ্রহণ কৰা হৈছে।

০০০০০০

পশ্চিম কাৰ্বি আংলঙৰ জিলা সদৰ হামৰেণত কালিৰে পৰা তিনিদিনীয়াকৈ ৰেচম বিভাগৰ উদ্যোগত এখন কৰ্মশালা অনুষ্ঠিত হৈছে। জিলাখনৰ ৰেচম শিল্প অধীক্ষক কাৰ্যালয়ৰ উদ্যোগত আয়োজন কৰা এই কৰ্মশালাত অৰ্ধশতাধিক মহিলা প্রশিক্ষাৰ্থীয়ে অংশগ্রহণ কৰিছে। এই কৰ্মশালাতে কালি ৰেচম বিভাগৰ কাৰ্যবাহী সদস্যা কাচে ৰংপিপিয়ে সূতা কটা সামগ্রীও বিনামূলীয়াকৈ বিতৰণ কৰে।

০০০০০০

বৰাক উপত্যকাৰ শিলচৰৰ সমীপৰ শ্রীকোণাত নিৰ্মীয়মান বৰাক উপত্যকা সচিবালয়ৰ কাম চলিত বছৰৰ ডিচেম্বৰ নাইবা অহা বছৰৰ জানুৱাৰীত সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে। সচিবালয় নিৰ্মাণকাৰ্য প্রায় ৫৩ শতাংশ সম্পূৰ্ণ হৈছে বুলি মুখ্যমন্ত্রীৰ কাৰ্যালয় সূত্রই প্রকাশ কৰিছে। মূল সচিবালয়কে ধৰি মুঠ ৭ টা ভৱনৰ নিৰ্মাণকাৰ্য চলি আছে। বিষয়া আৰু কৰ্মচাৰীৰ আৱাসগৃহও নিৰ্মাণ কৰি থকা হৈছে। প্রশাসনিক কাম-কাজ সুচল কৰি তুলিবলৈ ৰাজ্য চৰকাৰে বৰাক উপত্যকাত ক্ষুদ্র সচিবালয় স্থাপনৰ সিদ্ধান্ত লৈছিল। এতিয়ালৈ এই প্রকল্পত ১৩৫ কোটি ৭ লাখ টকা আৱণ্টন দিয়া হৈছে আৰু প্রয়োজন হ'লে চৰকাৰে অগ্ৰাধিকাৰ ভিত্তিত অতিৰিক্ত ধন আৱণ্টন দিব বুলি প্রকাশ কৰিছে। এই সচিবালয়ে বৰাক উপত্যকাত সু-শাসন নিশ্চিত কৰাৰ লগতে চৰকাৰী কাম-কাজ ক্ষিপ্র হ'ব বুলি আশা প্রকাশ কৰা হৈছে।

০০০০০০

সমাপ্ত